# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-12-2025
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত কামৰূপৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত এছ্ আই টিৰ অভিযোগনামা দাখিল।

২। অৰুণাচল প্ৰদেশৰ আনজাওৰ পথ দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি মন্ত্ৰী বিমল বৰাৰ উদ্ধাৰ অভিযান নিৰীক্ষণ।

৩। ডিব্ৰুগড়ৰ মিলনজ্যোতি সংঘৰ উদ্যোগত আজিৰে পৰা চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলা।

**আৰু**

৪। চৰাইদেউত বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যু।

০০০০০

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যু সন্দৰ্ভত তদন্তৰ বাবে গঠন কৰা অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট, এছ্ আই টিয়ে আজি গোচৰটো সন্দৰ্ভত কামৰূপৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত অভিযোগনামা দাখিল কৰে। এছ্ আই টিৰ দলে আজি দিনৰ ১১ বজাত কেইবাহাজাৰ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে। অভিযোগনামাত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অন্যতম আয়োজক শ্যামকানু মহন্ত, সংগীত শিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ ধাৰাৰ অধীনত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰা হৈছে। জুবিন গাৰ্গৰ সম্বন্ধীয় ভাতৃ তথা ছিংগাপুৰ যাত্ৰাৰ সংগী, অসম আৰক্ষীৰ নিলম্বিত বিষয়া সন্দিপন গাৰ্গৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৫ ধাৰাৰ অধীনত অনিচ্ছাকৃত হত্যাৰ অভিযোগৰ অভিযোগনামা দাখিল কৰিছে। তদুপৰি জুবিন গাৰ্গৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে বিশ্বাস ভংগৰ অভিযোগত অভিযোগনামা দাখিল কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৫ ছেপ্তেম্বৰত গঠিত এছ্ আই টিয়ে এই সময়ছোৱাত প্ৰায় ৩০০ৰো অধিক লোকৰ সাক্ষ্য গ্ৰহণ কৰিছিল।

অভিযোগনামা সন্দৰ্ভত এছ্ আই টিৰ মুৰব্বী আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই এখন সংবাদমেলত সবিশেষ প্ৰকাশ কৰে। নিৰ্ধাৰিত সময়ৰ ভিতৰত এছ্ আই টিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ অভিযোগনামা দাখিল সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে এতিয়া আদালতে গোচৰৰ শুনানি গ্ৰহণ কৰি দোষীক উপযুক্ত শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিব।

**বাইট (চি এম)**

০০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত মন্ত্ৰী বিমল বৰাই আজি অৰুণাচলৰ লোহিত জিলাৰ উপায়ুক্ত কেছাং নুৰুপ ডামু, আৰক্ষী অধীক্ষক থোটান জাম্বা আৰু তেজুৰ 25TH ITBP কামাণ্ডেণ্টৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে লগতে আনজাওৰ দুৰ্ঘটনাস্থলীত উপস্থিত হৈ জিলা প্ৰশাসন, সেনা আৰু এন ডি আৰ এফৰ দলে চলোৱা উদ্ধাৰ অভিযান নিৰীক্ষণ কৰে।

**বাইট (বিমল বৰা)**

ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰি নিহতসকলৰ আত্মীয়লৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী সাহায্য নিধিৰ অধীনত মৃতকৰ নিকটাত্মীয়লৈ ২ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ লগতে আহতসকলৰ চিকিৎসাৰ বাবে ৫০ হাজাৰ টকাৰ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইয়েও ৰাজ্য চৰকাৰৰ তৰফৰ পৰা মৃতকৰ পৰিয়ালৈ ৫ লাখ টকা এককালীন সাহায্য প্ৰদানৰ কথা ঘোষণা কৰে। ৰাজ্য চৰকাৰে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াইছে।

০০০০০

ডিব্ৰুগড়ৰ মিলনজ্যোতি সংঘৰ উদ্যোগত সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সহযোগত আজিৰে পৰা চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত অনুষ্ঠিত গ্ৰন্থমেলা ঔপন্যাসিক, সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য জীতেন হাজৰিকাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ২২ ডিচেম্বৰলৈ হ'বলগীয়া এই গ্ৰন্থমেলাত প্ৰতিবেশী ৰাষ্ট্ৰ বাংলাদেশৰ লগতে দিল্লী, কলকাতা, মুম্বাইৰ বিপনীও অংশগ্ৰহণ কৰিছে। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি ঔপন্যাসিকা অনুৰাধা শৰ্মা পুজাৰীয়ে স্মৃতিগ্ৰন্থ উন্মোচন কৰাৰ লগতে অন্তৰংগ আলাপ অনুষ্ঠানতো অংশগ্ৰহণ কৰে।

০০০০০

চৰাইদেউ জিলাৰ সোণাৰীৰ থুকুবিলত আজি বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যু হয়। থুকুবিলৰ বিজয় পামৰ পৰা সোণাৰী নগৰলৈ দিন হাজিৰাৰ বাবে যোৱাৰ সময়তে অভয়পুৰ সংৰক্ষিত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা এটা বনৰীয়া হাতীৰ আক্ৰমণত হীৰামণি শৰ্মা নামৰ মহিলাগৰাকীৰ থিতাতে মৃত্যু হয়। ঘটনাৰ খবৰ পোৱাৰ পাছতে সোণাৰী আৰক্ষী আৰু বন বিভাগৰ লোকে ঘটনাস্থলীৰ পৰা মৃতদেহটো উদ্ধাৰ কৰে। ইফালে বনাঞ্চলৰ পৰা ওলাই অহা আন এটা হাতীয়ে নাফুক খেৰবাৰী অঞ্চলতো জনবসতিপূৰ্ণ অঞ্চলত উপদ্ৰৱ চলাই বুলি আমাৰ চৰাইদেউৰ সংবাদদাতাই জনাইছে। বনৰীয়া হাতীটোৰ আক্ৰমণত এজন লোক গুৰুতৰভাৱে আহত হয়। লোকজনক ততালিকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

০০০০০

মাজুলী জিলাত আজি নতুন নিযুক্তি পোৱা মুঠ ১৩০ গৰাকী স্নাতকোত্তৰ আৰু স্নাতক শিক্ষকে মাজুলী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত অনুষ্ঠিত সভাৰ পৰা নিজ কৰ্মস্থলীৰ নিযুক্তিপত্ৰ সংগ্ৰহ কৰে। এই সভাত মাজুলীৰ বিধায়ক ভুবন গাম, জিলা আযুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ লগতে মাজুলী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক গৰাকীও উপস্থিত থাকে। এই সভাৰ পূৰ্বে ১০ লাখ টকাৰ বিধায়ক পুজিৰে নৱীকৰণ কৰা জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কোঠা আৰু প্ৰেক্ষাগৃহ মাজুলীৰ বিধায়ক আৰু জিলা আয়ুক্তই শুভ উদ্বোধন কৰে।

00000

স্বাস্থ্য আৰু চিকিৎসা শিক্ষা বিভাগৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলক অহা ২২ ডিচেম্বৰত নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা ঘোষণা কৰিছে। তেওঁ লগতে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ নিযুক্তিৰ ক্ষেত্ৰত কিছু জটিলতাৰ বাবে পলম হৈছে যদিও শীঘ্ৰেই ইয়াৰ নিযুক্তি পত্ৰ প্ৰদানৰ দিনো ঘোষণা কৰা হ'ব বুলি উল্লেখ কৰে।

00000

ডিমা হাচাও জিলাৰ ওমৰাংছ'ত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ফেলকন মহোৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জ্ঞাপন কৰিছে। অহা ১৪ ডিচেম্বৰত এই মহোৎসৱৰ সামৰণি পৰিব। উল্লেখযোগ্য যে প্ৰত্যেক বছৰে পৰিভ্ৰমী চৰাইসমূহে ৰাজ্যৰ পৰিবেশ অধিক ঐশ্বৰ্যশালী কৰি তোলে। এই চৰাইসমূহ চাবলৈ দেশৰ বিভিন্ন অঞ্চলৰ পৰা আগ্ৰহী লোকসকলৰ আগমন হয়। এই উৎসৱৰ জৰিয়তে জিলাখনৰ প্ৰাণৱন্ত সংস্কৃতিক ঐতিহ্য প্ৰতিফলিত হোৱাৰ লগতে জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি হয়।

00000

যোৰহাট জিলাৰ তিতাবৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত যোৰহাট বৰহলা মহাবিদ্যালয়ত দুৰ্যোগ ব্যৱস্থাপনা অনুশীলন মকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত মহাবিদ্যালয়খনৰ এন চি চি আৰু এন এচ এচ গোটক দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা আৰু উদ্ধাৰ কাৰ্যৰ বিষয়ে অনুশীলন প্ৰদান কৰা হয়। বান, অগ্নিকাণ্ড আদি দুৰ্যোগৰ সময়ত কেনেদৰে নিৰাপদে নিজকে সুৰক্ষিত কৰিব পাৰি আৰু বিপৰ্যস্ত লোকক কেনেদৰে উদ্ধাৰ কৰিব পাৰি এই বিষয়েও এই অনুশীলন কাৰ্যসূচীত প্ৰশিক্ষণ দিয়া হয়। অনুষ্ঠানৰ শেষত অংশগ্ৰহণকাৰী শিক্ষাৰ্থীক প্ৰমান পত্ৰ প্ৰদান কৰা হয়।

00000

নিচামুক্ত অসম গঢ়াৰ লক্ষ্যৰে আজি সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা-আটছা, গোলাঘাট শাখাৰ উদ্যোগত এক বৃহৎ সজাগতামূলক মটৰ চাইকেল ৰেলী উলিওৱা হয়। জামুগুৰি বজাৰ প্ৰেক্ষাগৃহৰ পৰা আৰম্ভ হোৱা সজাগতামূলক ৰেলীটো মৰাপানী হৈ গোলাঘাট নগৰত সমাপ্ত কৰা হয়। এই ৰেলীত আটছাৰ শতাধিক সদস্যই হাতে হাতে মাদক দ্ৰব্য বিৰোধী প্লে কাৰ্ড লৈ অংশগ্ৰহণ কৰে। আটছা গোলাঘাট জিলা সমিতিয়ে ড্ৰাগছ নিৰ্মূল কৰাৰ বাবে গোলাঘাট জিলা আৰক্ষী প্ৰশাসনক আহ্বান জনায়।

00000

সমাপ্ত